জাতি, মাটি আৰু দেশৰ সেৱাত
দৈনন্দিন বাৰ্তা
৩
3
১৭ মে' ২০২৬ ■ দেওবাৰ ■ ২ জেঠ, ১৯৪৮ শক

হৰিহৰ সমাজ কল্যাণ সংঘ-ফ্ৰেণ্ডছ -হেল্পিং হেণ্ডৰ উদ্যোগত কৃতী ছাত্ৰ-ছাত্ৰীক অভিনন্দন

সম্পদ অথবা ভৌগোলিকভাৱে নহয়, মানুহৰ গুণেৰেহে এখন ৰাষ্ট্ৰৰ মান নিৰ্ধাৰণ হয় ঃ প্ৰাক্তন মন্ত্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱা

দৈনন্দিন বাৰ্তাৰ সেৱা, বেৰেজীয়া, ১৬ মে' ঃ নগাঁও জিলাৰ মাহৰিআটীৰ ঐতিহ্যমণ্ডিত হৰিহৰ দেৱালয়ৰ প্ৰাংগণত আজি কৃতী ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জনোৱাৰ লগতে আৰ্থিক সাহায্য প্ৰদান আৰু প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত শিক্ষণ সামগ্ৰী বিতৰণৰ এটা অনুষ্ঠান অনুষ্ঠিত হয়। মাহৰিআটী হৰিহৰ সমাজ কল্যাণ সংঘ আৰু স্বেচ্ছাসেৱী অনুষ্ঠান ফ্ৰেণ্ডছে হেল্পিং হেণ্ডৰ সৌজন্যত অনুষ্ঠিত কৰা কৃতী ছাত্ৰ-ছাত্ৰীৰ অভিনন্দন অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি অসমৰ প্ৰাক্তন মন্ত্ৰী, শিক্ষাবিদ, নিবন্ধকাৰ গিৰীন্দ্ৰ কুমাৰ বৰুৱাই কয় যে বিশ্বত জনসংখ্যা বৃদ্ধি হৈছে । কিন্তু ভাল মানুহৰ সংখ্যা কমিছে। তেওঁ লগতে কয় যে ভাষা জীয়াই ৰাখিবলৈ হ'লে অসমীয়া মাধ্যমৰ বিদ্যালয়সমূহ জীয়াই ৰাখিব লাগিব। বৰুৱাই ছাত্ৰ-ছাত্ৰীসকললৈ আহ্বান জনাই কয় যে ছাত্ৰ-ছাত্ৰীসকলে নম্বৰ তালিকাত নম্বৰ বঢ়ালেই নহ'ব, সমাজত প্ৰকৃত মানুহ হিচাপে নিজকে প্ৰতিষ্ঠা কৰিব লাগিব। তেওঁ আৰু কয় যে সম্পদৰ জৰিয়তে অথবা ভৌগোলিকভাৱে নহয়। মানুহৰ গুণৰ জৰিয়তেহে এখন ৰাষ্ট্ৰৰ মান নিৰ্ধাৰণ হয়। মাহৰিআটী হৰিহৰ দেৱালয়ৰ পৰিচালনা সমিতিৰ সভাপতি বলোৰাম শৰ্মাই সভাপতিত্ব কৰা সভাখনত স্বাস্থ্য বিভাগৰ অৱসৰপ্ৰাপ্ত যুটীয়া সঞ্চালক ডাঃ কৃষ্ণ কুমাৰ বৰাই কয় যে মেট্ৰিক বা হায়াৰ ছেকেণ্ডেৰী পৰীক্ষাত উত্তীৰ্ণ হোৱাটোৱেই শেষ পৰীক্ষা নহয়। মানুহৰ জীৱনত অনেক পৰীক্ষাই আহিব, আমি জীৱনৰ পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব । তেওঁ লগতে ছাত্ৰ-ছাত্ৰীসকলক কেৰিয়াৰ কাউঞ্চেলিং কৰাৰ কথা আলোকপাত কৰি কয়। হৰিহৰ সমাজ কল্যাণ সংঘৰ সম্পাদক তথা বিশিষ্ট সমাজকৰ্মী বকুল চন্দ্ৰ বৰা, অভিজিৎ শৰ্মা আৰু দুলেন চন্দ্ৰ বেজবৰাই আঁত ধৰা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ড° ধৰ্মেশ্বৰ গোস্বামী, অধিবক্তা গংগাবল্লভ গোস্বামী, সমাজকৰ্মী-অভিনেতা নবীন বেজবৰা আৰু মাহৰিআটী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক সীমান্ত ভৰালীয়ে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি জীৱন আগুৱাই নিয়াৰ লগতে বৰ্তমান প্ৰতিযোগিতামূলক পৰীক্ষাত আগুৱাই যোৱাৰ আহ্বান জনায়। উল্লেখ্য যে সদ্যঘোষিত উচ্চ আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ ১৭জন কীৰ্তিমানক সম্বৰ্ধনা-পত্ৰ, গামোচা, ফুলৰ থোপা আৰু হৰিহৰ সমাজ কল্যাণ সংঘৰ পুঁজিৰ পৰা আৰ্থিক সাহায্য প্ৰদান কৰা হয়। আনহাতে, মাহৰিআটী প্ৰাথমিক বিদ্যালয়ৰ প্ৰায় অৰ্ধশতাধিক ছাত্ৰ-ছাত্ৰীক শিক্ষণ সামগ্ৰী বিতৰণ কৰা হয়। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ফ্ৰেণ্ডছে হেল্পিং হেণ্ডৰ ৰাজেন শৰ্মা, বিপুল শৰ্মা, নবীন বেজবৰা, দীপ্তি খাটনিয়াৰ, থান পৰিচালনা সমিতিৰ মৃণাল নাথ, বীৰেন্দ্ৰ শৰ্মা, মহেশ্বৰ হাজৰিকা, মহেন্দ্ৰ বৰা, ধৰ্মেশ্বৰ বৰা, গোপাল শৰ্মা, অনিল বৰা, মানস বৰা, দীপ্তি শৰ্মা, জাগৃত জ্যোতি বৰা, জিতেন ভট্টাচাৰ্য, নিপা শৰ্মা, জাহ্নৱী জ্যোতি বৰা, প্ৰতীক্ষা বৰা আৰু নগাঁও লায়ন্স ক্লাবৰ পৰা গংগা বল্লভ গোস্বামী, বসন্ত বৰদলৈ, বিশ্বজিৎ মহন্ত, গুৰুচৰণ সিংহ, ৰাতুল নাথ, মহিষ বিশাল বৰদলৈ, সাৰাংগ বল্লভ গোস্বামীকে প্ৰমুখ্য কৰি ভালেসংখ্যক লোক উপস্থিত থাকে।

মূল্যবৃদ্ধিৰ বিৰুদ্ধে শিৱসাগৰত কৃষক মুক্তি সংগ্ৰাম সমিতি, ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ প্ৰতিবাদ

দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ১৬ মে' ঃ ইন্ধনজাত সামগ্ৰী পেট্ৰ'ল আৰু ডিজেলৰ সমান্তৰালকৈ দৈনিক ব্যৱহৃত খাদ্য-সামগ্ৰী, জীৱনদায়িনী ঔষধকে ধৰি অত্যাৱশ্যকীয় সামগ্ৰীসমূহৰ মূল্যবৃদ্ধিৰ বিৰোধিতাৰে আজি কৃষক মুক্তি সংগ্ৰাম সমিতি আৰু ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে শিৱসাগৰ নগৰৰ দ'লমুখ চাৰিআলিত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। আজি প্ৰতিবাদী কাৰ্যসূচীত কৃষক মুক্তি সংগ্ৰাম সমিতিৰ মুখ্য সাংগঠনিক সম্পাদক বিতুমণি হাজৰিকাই কয় যে - বিজেপি নেতৃত্বাধীন চৰকাৰে নিৰ্বাচনৰ পূৰ্বে পুঁজিপতিসকলৰ পৰা পইচা লৈ সেই পইচা ৰাইজক দি এতিয়া নিৰ্বাচনৰ পিছত ৰাইজৰ পৰা তিনিগুণ পইচা লৈছে। ইয়াৰ বাবে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক ধিক্কাৰ দিছোঁ। যোগান বিভাগকো ধিক্কাৰ দিছো। পেট্ৰ'ল-ডিজেল, এল পি জি, ঔষধ, অত্যাৱশ্যকীয় খাদ্য-সামগ্ৰীকে ধৰি প্ৰতিটো বস্তুৰ মূল্যবৃদ্ধি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ দ্বিতীয় কাৰ্যকালৰ প্ৰথম উপহাৰ বুলি উল্লেখ কৰি কৃষক মুক্তি সংগ্ৰাম সমিতিৰ নেতাজনে অতি সোনকালে মূল্যবৃদ্ধি ৰোধ কৰিবলৈ মুখ্যমন্ত্ৰীক দাবী জনায়। অন্যথা, এই আন্দোলন অধিক তীব্ৰভাৱে গঢ়ি তোলা হ'ব বুলি কৃষক মুক্তি সংগ্ৰাম সমিতিৰ নেতাজনে হুংকাৰ দিয়ে।

কামৰূপ জিলা ছাত্ৰ সন্থা-অসম উন্নতি সভাৰ যৌথ সভা

দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙিয়া, ১৬ মে' ঃ সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ উদ্যোগত অসম উন্নতি সভা কামৰূপ জিলা সমিতিৰ সহযোগত ৰঙিয়া আঞ্চলিক ছাত্ৰ সন্থাৰ শ্বহীদ ভৱনত এখন যৌথ সভা অনুষ্ঠিত কৰা হয়। অসম উন্নতি সভাৰ কামৰূপ জিলাৰ সমিতিৰ সভাপতি খগেন হীৰাৰ সভাপতিত্ব অনুষ্ঠিত হোৱা সভাখন পৰিচালনা কৰে সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ সাঃ সম্পাদক তৌফিকুৰ ৰহমানে। সভাত উপস্থিত থাকি সদৌ অসম ছাত্ৰ সন্থাৰ কাৰ্যালয় সম্পাদক ভৱজ্যোতি ডেকাই কয় যে সদৌ অসম ছাত্ৰ সন্থাৰ ভাতৃ সংগঠন অসম উন্নতি সভা। অসম উন্নতি সভাৰ কামৰূপ জিলা সমিতিখনে আমাৰ যুৱক-যুৱতীসকলক অৰ্থনৈতিকভাৱে সবল কৰা, কৰ্মসংস্কৃতিৰে স্বাৱলম্বনৰ লক্ষ্যৰে আগবঢ়াই নিয়াটো প্ৰধান লক্ষ্য। আমাৰ যুৱক-যুৱতীসকলে যেতিয়া অৰ্থনৈতিকভাৱে সৱল হ'ব তেতিয়া আমাৰ নিবনুৱা সমস্যাৰ কিছু হ'লেও সমাধান হ'ব। সভাত উপস্থিত থাকি অসম উন্নতি সভাৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি ডম্বৰু কলিতাই কয়— আমি নৱ-প্ৰজন্মক সংস্থাপনৰ বাট দেখুৱাব লাগিব। আমি সকলোৱে মিলি কৃষি কৰ্মৰ জৰিয়তে অৰ্থনৈতিক সংগ্ৰামখনত আগবাঢ়িব লাগিব। ছাগলীৰ ফাৰ্ম, কুকুৰাৰ ফাৰ্ম, কলখেতি ইত্যাদি বিষয়ৰ ওপৰত চিন্তা কৰি আগবাঢ়িব লাগিব। তেতিয়াহে আমি বজাৰ আমাৰ পথাৰ আমাৰ বুলি ক'ব পাৰিম। সভাত উপস্থিত থাকি সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি সুৰজিত কলিতাই ছাত্ৰ সন্থা আৰু উন্নতি সভাই যৌথভাৱে কৃষি বিপ্লৱত আগবঢ়াব বাবে কয়। সভাত উপস্থিত থাকি ৰোহিণী কুমাৰে কৰ্মমুখী চিন্তাৰে জিলা সমিতিখনক আগবাঢ়িবলৈ পৰামৰ্শ আগবঢ়ায়। সভাত মোহন মাধৱ বৰ্মনে কয়— আমি ছাত্ৰ-ছাত্ৰীসকলক নিযুক্তি পৰীক্ষাসমূহত সহায়ক হোৱাৰ বাবে প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব লাগিব, কৃষি কৰ্মত উৎসাহিত কৰাৰ বাবে কৃষি কৰ্মৰ প্ৰশিক্ষণ, মীন বিভাগত প্ৰশিক্ষণৰ ব্যৱস্থা কৰি স্বাৱলম্বিতাৰ পথ দেখুৱাব লাগিব বুলি পৰামৰ্শ আগবঢ়ায়। সভাত ননীধৰ কলিতা, উমেশ কলিতা, ত্ৰৈলোক্য কলিতা, অতুল কলিতাই বক্তব্য আগবঢ়ায়। উক্ত সভাত আগন্তুক বৰ্ষৰ বাবে অসম উন্নতি সভাৰ কামৰূপ জিলা সমিতিৰ সভাপতি হিচাপে খগেন হীৰা, সাঃ সম্পাদক হিচাপে ইমদাদুৰ ৰহমানক দায়িত্ব দিয়া হয়। ডম্বৰু কলিতা, ৰোহিণী কুমাৰ, মোহন মাধৱ বৰ্মনক কেন্দ্ৰীয় সমিতিলৈ প্ৰেৰণ কৰা হয়। আজিৰ সভাখনত কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। সভাত উপস্থিত থাকে কামৰূপ জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা গোলোক ৰাজবংশী, অসম সেনাৰ নন্দেশ্বৰ দাস, কামালুৰ জামানসহ ভালেমান ছাত্ৰ নেতা।

গৌৰৱোজ্জ্বল সোণালী জয়ন্তী বৰ্ষ গৰকা শৰাইঘাট নাট্যগোষ্ঠীৰ প্ৰতিষ্ঠা দিৱস-ৰঙালী বিহু উদ্‌যাপন

দৈনন্দিন বাৰ্তাৰ সেৱা, ১৬ মে' ঃ ৯ মে'ৰ পৰা ১১ মে'লৈ বৰ্ণাঢ্য সাংস্কৃতিক কাৰ্যসূচীৰে আমিনগাঁও সাপ্তাহিক বজাৰৰ বাকৰিত শৰাইঘাট নাট্যগোষ্ঠীৰ (সোণালী জয়ন্তী বৰ্ষ) প্ৰতিষ্ঠা দিৱস আৰু ৰঙালী বিহু উদ্‌যাপন হৈ যায়। ৯ মে'ৰ পুৱা ঢোলে-ডগৰে জনগোষ্ঠীয় নৃত্যৰ তালে তালে সাংস্কৃতিক শোভাযাত্ৰাৰে শৰাইঘাট নাট্যগোষ্ঠী তথা ৰঙালী বিহু উদ্‌যাপন সমিতিৰ প্ৰায় ২ শতাধিক বিশিষ্ট ব্যক্তিৰ লগতে উপস্থিত থাকে মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰীক নাট্যগোষ্ঠীৰ তৰফৰ পৰা এখন ফুলাম গামোচাৰ লগতে ক্ষুদ্ৰ স্মাৰক প্ৰদানেৰে আয়োজক সমিতিৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। ৰাইজৰ লগতে শৰাইঘাট নাট্যগোষ্ঠীৰ কৰ্মকৰ্তা, বিষয়ববীয়া তথা সাধাৰণ সম্পাদক চন্দনজ্যোতি দাসে নাট্যগোষ্ঠীৰ দায়িত্ববাহী সভাপতি শংকৰ দাসক ঘৰৰ পৰা ফুলাম গামোচা আৰু তামোল-পাণৰ শৰাই আগবঢ়াই ৰঙালী বিহুৰ প্ৰাঙ্গণলৈ আদৰি আনে। ইয়াৰ পিছতে সোণালী বৰ্ষৰ ঐতিহ্যময় ক্ষণত শৰাইঘাট নাট্যগোষ্ঠীৰ তৰফৰ পৰা ৫০খন পতাকা আৰু ৰঙালী বিহু উদ্‌যাপন সমিতিৰ তৰফৰ পৰা ৫০খন পতাকা উত্তোলন কৰা হয়। শৰাইঘাট নাট্যগোষ্ঠীৰ সোণালী বৰ্ষৰ মুখ্য পতাকাখন উত্তোলন কৰে নাট্যগোষ্ঠীটোৰ সভাপতি শংকৰ কুমাৰ দাসে। ইয়াৰ লগতে আন ৫০খন পতাকা উত্তোলন কৰে নাট্যগোষ্ঠীটোৰ লগত জড়িত বিশিষ্ট সাংস্কৃতিক ব্যক্তি আৰু বিষয়ববীয়াসকলে। আনহাতে ৰঙালী বিহু উদ্‌যাপনৰ মুখ্য পতাকাখন উত্তোলন কৰে শৰাইঘাট নাট্য গোষ্ঠী আৰু ৰঙালী বিহু উদ্‌যাপন সমিতিৰ সাংস্কৃতিক সম্পাদক চন্দনজ্যোতি দাসে (ৰিংকু)। অন্য ৰঙালী বিহু উদ্‌যাপন সমিতিৰ ৫০খন পতাকা উত্তোলন কৰে বিহু সমিতিৰ বিশিষ্ট ব্যক্তিসকলে। সমূহ পতাকা উত্তোলন কৰা ব্যক্তিসকলক ফুলাম গামোচা আৰু ক্ষুদ্ৰ স্মাৰক প্ৰদানেৰে আয়োজক সমিতিৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। পৰৱৰ্তী 'শ্বহীদ তৰ্পণ' অনুষ্ঠানত বন্তি প্ৰজ্বলন আৰু শ্বহীদ স্মাৰকত পুষ্প অৰ্পণ কৰে শৰাইঘাট নাট্যগোষ্ঠীৰ মুখ্য উপদেষ্টা ৰবীন্দ্ৰ নাথ দাসে। সমসাময়িক গছপুলি ৰোপণ কাৰ্যসূচীত অংশগ্ৰহণ কৰে ক্ৰমে দীপক কুমাৰ পণ্ডিত, পৱন দত্ত, মৌচুমী দাস, বীণা দাস আৰু ৰশ্মি দাসে। বিহু উদ্‌যাপনৰ প্ৰথম নিশাৰ শৰাইঘাট নাট্য গোষ্ঠীৰ প্ৰাক্তন সভাপতি 'প্ৰয়াত শৰৎ চন্দ্ৰ শৰ্মা আৰু প্ৰয়াত অজিত দাস সোৱৰণী সাংস্কৃতিক মঞ্চ' সন্ধিয়া ৭ বজাত মুকলি কৰে শৰাইঘাট নাট্য গোষ্ঠীৰ মুখ্য উপদেষ্টা ৰবীন্দ্ৰ নাথ দাসে আৰু বন্তি প্ৰজ্বলন কৰে প্ৰয়াত শৰৎ চন্দ্ৰ শৰ্মাৰ সহধৰ্মিণী বিজয়া শৰ্মাই। নিশা ১০ বজাৰ পৰা স্থানীয় কণ্ঠশিল্পী সাগৰিকা গাৰ্গীৰ পৰিচালিত সমৱেত সংগীত পৰিৱেশনৰ দ্বাৰা সাংস্কৃতিক কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। উক্ত দিনা সাংস্কৃতিক অনুষ্ঠানত গীতৰ শৰাই আগবঢ়ায় অসমৰ সংগীত জগতৰ জনপ্ৰিয় কণ্ঠশিল্পী মহেন্দ্ৰ হাজৰিকাই, লগতে সুমধুৰ গীতৰে নিশাটি জীপাল কৰি তোলে ক্ৰমে শিল্পী প্ৰাৰ্থনা বৰঠাকুৰ, প্ৰিয়ংকা কাশ্যপ, কৃপাক্ষী বড়ো আৰু অংকুৰ বড়াই । ১০ মে'ত দ্বিতীয় নিশাৰ সাংস্কৃতিক কাৰ্যসূচীৰ মঞ্চ উদ্বোধন কৰে হাজো সমষ্টিৰ নৱ-নিৰ্বাচিত বিধায়ক প্ৰকাশ দাসে আৰু বন্তিপ্ৰজ্বলন কৰে বিশিষ্ট ব্যৱসায়ী তথা সমাজকৰ্মী কেশৱ কলিতাই। দ্বিতীয় দিনাৰ সাংস্কৃতিক কাৰ্যসূচীৰ শুভাৰম্ভ হয় সাগৰিকা গাৰ্গীৰ দ্বাৰা পৰিচালিত সমৱেত সংগীতৰ দ্বাৰা। ইয়াৰ পিছতে সুমধুৰ গীতৰ শৰাই আগবঢ়ায় বিশিষ্ট শিল্পী অম্লান কলিতা, ধ্ৰুৱজ্যোতি দাস, অংশুমান বড়া, ফিজিউল হক আৰু পিংকী দাসে। নিশা ১১ বজাৰ পৰা সদৌ অসম ভিত্তিত বিহু হুঁচৰী প্ৰতিযোগিতা আৰম্ভ হয় । প্ৰতিযোগিতাখনত শ্ৰেষ্ঠ হুঁচৰি দল হিচাপে যুটীয়াভাৱে নগদ ধন ৫০,০০১ টকা আৰু বঁটা লাভ কৰে (দাতা-শৰাইঘাট নাট্যাগোষ্ঠী) ক্ৰমে জোনবাই বিহু দল আৰু দাক্ষায়িনী সাংস্কৃতিক গোষ্ঠীয়ে। দ্বিতীয় শ্ৰেষ্ঠ দল হিচাপে যুটীয়াভাৱে নগদ ধন ৩০০০১ টকা আৰু বঁটা লাভ কৰে ক্ৰমে সোণসেৰীয়া বিহু দল আৰু বৰলুইত বিহু দলে। দ্বিতীয় পুৰস্কাৰ হৰিমতী পালৰ সোঁৱৰণত দাঁতা-শ্ৰীদীপক পাল আৰু তৃতীয় শ্ৰেষ্ঠ দল হিচাপে যুটীয়াভাৱে নগদ ধন ২০০০১ লাভ কৰে ক্ৰমে ৰূপহী অসম বিহুদল আৰু কপিলীপৰীয়া বিহু দলে। তৃতীয় সম্ভুৰাম বৈশ্যৰ সোঁৱৰণত দাতা দুদুল বৈশ্য । শ্ৰেষ্ঠ ঢুলীয়া আৰু শ্ৰেষ্ঠ নাচনীৰ খিতাপ পাবলৈ সক্ষম হয় ক্ৰমে দাক্ষায়িনী সাংস্কৃতিক গোষ্ঠী আৰু বৰলুইত বিহু দলে। ১১ মে' অৰ্থাৎ তৃতীয় দিনৰ সাংস্কৃতিক কাৰ্যসূচী আৰম্ভ হয় দিনৰ ২ বজাৰ পৰা কণ কণ শিশুৰ মাজত অনুষ্ঠিত হোৱা 'ভেশচন' প্ৰতিযোগিতাৰে। উক্ত ভেশচন প্ৰতিযোগিতাত প্ৰথম ৭০০১ টকা, প্ৰথম পুৰস্কাৰ যোগেশ চন্দ্ৰ দাসৰ সোঁৱৰণত দাঁতা- আৰতি দাস আৰু পৰিয়ালবৰ্গ। দ্বিতীয় ৫০০১ টকা, প্ৰবীণ চন্দ্ৰ দাসৰ সোঁৱৰণত, দাতা- জয়ন্ত দাস আৰু তৃতীয় ৩০০১ টকা, কৈলাস চন্দ্ৰ দাসৰ সোঁৱৰণত দাতা- ডিম্বেশ্বৰ দাস। বিজয়ীৰ পুৰস্কাৰ পাবলৈ সক্ষম হয় ক্ৰমে ত্ৰিদীশা দাস (পুতলা নাচ), কুশল শৰ্মা আৰু প্ৰণৱ কুমাৰ দাস (দুই বন্ধু), প্ৰমোদ দাসে (বিকলাংগ)। সন্ধিয়াৰ সাংস্কৃতিক মঞ্চ উদ্বোধন কৰে অসমীয়া চলচ্চিত্ৰ জগতৰ সুদৰ্শন অভিনেতা উৎপল দাসে আৰু বন্তি প্ৰজ্বলন কৰে ড° বি কে দেৱমিশ্ৰই । সাংস্কৃতিক অনুষ্ঠানৰ শুভাৰম্ভ হয় পুনৰবাৰ সাগৰিকা গাৰ্গী পৰিচালিত সমৱেত সংগীতেৰে। নিশাৰ সাংস্কৃতিক অনুষ্ঠানৰ মুখ্য আকৰ্ষণ আছিল অসমৰ যুৱ-প্ৰজন্মৰ জনপ্ৰিয় কণ্ঠশিল্পী আচুৰ্য ৰৰপাত্ৰৰ গীতৰ শৰাই। লগতে জনপ্ৰিয় শিল্পী সাগৰিকা গাৰ্গী, চন্দামিতা বৈশ্য, ধ্ৰুৱ কুমাৰ দাস আৰু পিংকী দাসেও সুমধুৰ সংগীতৰ লহৰেৰে দৰ্শকক মন্ত্ৰমুগ্ধ কৰে। উক্ত তিনিদিনীয়া এই অনুষ্ঠানত ঘোষক হিচাপে আঁত ধৰে তপন দাসে। অনুষ্ঠানটোৰ আৰম্ভণীৰ দিনা দিনৰ ভাগত আমিনগাঁৱৰ মধ্যম অঞ্চলৰ আয়তীসকলে নিজ হাতে তৈয়াৰ প্ৰায় ৩০০ লাডু-পিঠা ৰাইজলৈ আগবঢ়ায় আৰু দিহানাম পৰিৱেশন কৰে। আমিনগাঁৱৰ দাঁতিকাষৰীয়া লাচিতপুৰ, উপৰবড়ী অঞ্চলৰ লগতে আমিনগাঁৱৰ সমূহ ৰাইজ তথা স্বেচ্ছাসেৱী যুৱচামে নিঃস্বাৰ্থভাৱে সেৱা আগবঢ়াই উক্ত তিনিদিনীয়া কাৰ্যসূচীৰ সফলভাৱে ৰূপায়ণ কৰাত যি ঐক্য নিদৰ্শন আগবঢ়ালে তাৰ বাবে শৰাইঘাট নাট্যগোষ্ঠী আৰু ৰঙালী বিহু উদ্‌যাপন সমিতি সদায় কৃতজ্ঞ হৈ ৰ'ব। অনাগত দিনত আমিনগাঁও অঞ্চলৰ লগতে উত্তৰ গুৱাহাটীৰ বিভিন্ন অঞ্চলৰ ৰাইজে শৰাই ঘাট নাট্যগোষ্ঠীৰ লগত সহায়- সহযোগিতা আগবঢ়াই তথা ওতপ্ৰোতভাৱে জড়িত হৈ একেলগে আগুৱাই যাবলৈ নাট্যগোষ্ঠীৰ হৈ আহ্বান জনাইছে সভাপতি শংকৰ কুমাৰ দাস আৰু সাধাৰণ সম্পাদক চন্দনজ্যোতি দাসে। শৰাইঘাট নাট্যগোষ্ঠীৰ (সোণালী জয়ন্তী বৰ্ষ) প্ৰতিষ্ঠা দিৱস আৰু ৰঙালী বিহু উদ্‌যাপন সমিতিৰ মূল পৰিচালনাৰ দায়িত্বত আছিল সভাপতি - শংকৰ কুমাৰ দাস, সম্পাদক- চন্দনজ্যোতি দাস, সহঃ সম্পাদক- বিনয় শৰ্মা, জয়ন্ত দাস, কুশল মেধী, পল্লৱ কুমাৰ ডেকা সহিতে আন দায়িত্ববাহী সহঃ সম্পাদক মণ্ডলী, সাংস্কৃতিক সম্পাদক - ধ্ৰুৱ কুমাৰ দাস, তথ্য আৰু প্ৰচাৰ বিভাগৰ তত্ত্বাৱধায়ক- কুমুদ নাথ প্ৰমুখ্যে উপদেষ্টামণ্ডলী আৰু অন্যান্য দায়িত্ববাহী বিষয়ববীয়া আৰু কৰ্মকৰ্তাসকলে সকলো ৰাইজলৈ শুভেচ্ছা যাচিছে।

যোৰহাটৰ ব্ৰহ্মপুত্ৰ একাডেমী ছিনিয়ৰ ছেকেণ্ডেৰী স্কুলৰ একাদশ প্ৰতিষ্ঠা দিৱস পালন

দৈনন্দিন বাৰ্তাৰ সেৱা, যোৰহাট, ১৬ মে' ঃ যোৰহাটৰ মালৌআলিস্থিত অগ্ৰণী শিক্ষানুষ্ঠান ব্ৰহ্মপুত্ৰ একাডেমী ছিনিয়ৰ ছেকেণ্ডেৰী স্কুলৰ একাদশ প্ৰতিষ্ঠা দিৱস আজি বিদ্যালয় প্ৰাংগণত উলহ-মালহেৰে পালন কৰা হয়। পুৱা পতাকা উত্তোলন, বন্তি প্ৰজ্বলন আৰু স্মৃতি তৰ্পণেৰে শুভাৰম্ভ হোৱা অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীৰ মাজত এখন চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাত যোৰহাটৰ কেইবাখনো বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। পিছত বিজয়ী প্ৰতিযোগীসকলক পুৰস্কাৰ প্ৰদান কৰা হয়। ইয়াৰ পিছতে অনুষ্ঠিত হোৱা মুকলি সভাত যোৰহাট চি কে বি কমাৰ্চ কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° পৰেশ চন্দ্ৰ বৰা, গোলাঘাট জিলাৰ ডি আৰ কলেজৰ প্ৰাণী বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ড° ৰীমেন বৰদলৈ, বিশিষ্ট লেখিকা মামণি কটকীৰ লগতে কেইবাজনো বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰি বক্তব্য আগবঢ়ায়। বক্তাসকলে ব্ৰহ্মপুত্ৰ একাডেমীৰ শিক্ষা ক্ষেত্ৰলৈ আগবঢ়োৱা অৱদানৰ শলাগ লোৱাৰ লগতে বিদ্যালয়খনৰ উত্তৰোত্তৰ উন্নতি কামনা কৰে। আনহাতে, প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীৰ মাজত এক মনোজ্ঞ সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীয়ে সংগীত, নৃত্য আদি বিভিন্ন সাংস্কৃতিক কাৰ্যসূচীৰ জৰিয়তে নিজৰ প্ৰতিভা প্ৰদৰ্শন কৰি উপস্থিত সকলোকে আপ্লুত কৰি তোলে। উল্লেখ্য যে, যোৰহাটত শিক্ষাৰ ক্ষেত্ৰত এক উজ্জ্বল নক্ষত্ৰ হিচাপে পৰিচিত ব্ৰহ্মপুত্ৰ একাডেমীয়ে ২০১৫ চনত প্ৰতিষ্ঠা লাভ কৰি ইতিমধ্যে সফলতাৰে ১০ বছৰ অতিক্ৰম কৰি একাদশ বৰ্ষত উপনীত হৈছে। বিদ্যালয়খনে শিক্ষাৰ লগতে ছাত্ৰ-ছাত্ৰীৰ সামগ্ৰিক বিকাশত গুৰুত্ব আৰোপ কৰি অহাত অঞ্চলজুৰি বিশেষ সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছে। ইফালে, প্ৰতিষ্ঠা দিৱসৰ সকলো কাৰ্যসূচীত সহযোগিতা আগবঢ়োৱা ৰাইজ তথা অভিভাৱকসকললৈ একাডেমীৰ অধ্যক্ষ দীপাঞ্জলি শৰ্মাই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে।

মেঘালয়ৰ পৰা অহা ডাম্পাৰৰ বাবেই যাতায়াতৰ অনুপযোগী হৈ পৰিছে ৰাণী অঞ্চলৰ বহু বাট-পথ

দৈনন্দিন বাৰ্তাৰ সেৱা, আজাৰা, ১৬ মে' ঃ গুৱাহাটী মহানগৰীৰ পাৰ্শ্বৱৰ্তী ৰাণী অঞ্চলৰ পৰা অসমৰ শুকুৰবৰীয়া হৈ মেঘালয় সংযোগী এন ই চি পথটোৰ লগতে দাঁতিকাষৰীয়া অঞ্চলৰ বহু বাট - পথ সম্প্ৰতি গধুৰট্ৰাক, ডাম্পাৰ আদিৰ চলাচলত বিধ্বস্ত হৈ পৰাৰ লগতে ঠাইবিশেষে যাতায়াতৰ অনুপযোগী হৈ পৰিছে। উল্লেখ্য যে আজাৰাৰ ৰাণী গে'টৰ পৰা ৰাণী-শুকুৰবৰীয়া হৈ দুইলেনযুক্ত পথছোৱা মেঘালয়ৰ ৰাজধানী চহৰ শ্বিলঙলৈ যোৱাৰ বাবে বিকল্প পথ হিচাপেও বহু লোকে ব্যৱহাৰ কৰি আহিছে। অসমৰ শেষ সীমান্ত হিচাপে পৰিচিত ৰাণীৰ শুকুৰবৰীয়া হৈ মেঘালয়ৰ পৰা অসমলৈ প্ৰৱেশ কৰা প্ৰকাণ্ড অভাৰলোড শিলভৰ্তি ট্ৰাক, ডাম্পাৰে এতিয়া সীমান্তৱৰ্তী অঞ্চলত ভয়ংকৰ সমস্যাৰ সৃষ্টি কৰিছে। কিয়নো এন ই চি পথেৰে নিৰ্ধাৰিত পৰিমাণতকৈ অধিক ওজন সৰবৰাহ কৰাত তেনে অভাৰলোড ট্ৰাক বা ডাম্পাৰসমূহৰ একাংশ এন ই চি পথ সংযোগী গাঁওসমূহৰ মাজেৰে দক্ষিণ কামৰূপৰ বিভিন্ন অঞ্চললৈ অহা-যোৱা কৰে।